**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-12-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**------------------**
**::::::::::::::::::::**

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত গোচৰটোৰ প্ৰথমটো শুনানি সম্পন্ন।

২। বৰপেটাত মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২০ হাজাৰ ছগৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চেক বিতৰণ।

৩। ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত মৃত্যুবৰণ কৰা ভাৰতীয় সৈনিকৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন স্থানত বিজয় দিৱস পালন। ***আৰু***

৪। বজালীৰ ৰাজঘাট - কঁহৰা অঞ্চলত আৰক্ষীৰ অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আজি গোচৰটোৰ প্ৰথমটো শুনানি গ্ৰহণ কৰা হয়। শুনানিৰ সময়ত গোচৰটোৰ ৭ জন অভিযুক্তক কাৰাগাৰৰ পৰা ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক বাক্সাৰ নিকাচি কাৰাগাৰৰ পৰা আৰু অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামীক হাফলং উপ কাৰাগাৰৰ পৰা শুনানিৰ সময়ত আদালতৰ সৈতে সংযুক্ত কৰা হয়। গোচৰটোৰ শুনানি গ্ৰহণ কৰি আদালতে অহা ২২ ডিচেম্বৰত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰে। আদালতৰ নিৰ্দেশ অনুসৰি শুনানিৰ পূৰ্বে অপৰাধ অনুসন্ধানকাৰী এটা দলে ৭ জন অভিযুক্তক কাৰাগাৰাৰ কৰ্তৃপক্ষৰ জৰিয়তে অভিযোগনামাৰ প্ৰতিলিপি প্ৰদান কৰে। একেদৰে অভিযুক্তসকলৰ পৰিয়ালকো পেনড্ৰাইভৰ জৰিয়তে অভিযোগনামাসহ অন্যান্য সংলগ্ন নথি পত্ৰ প্ৰদান কৰা হয়। আজিৰ শুনানিত অভিযুক্তসকলৰ হৈ জিলা আইনী সেৱা প্ৰাধিকাৰীৰ অধিবক্তা ধ্ৰুৱজ্যোতি দাসে প্ৰতিনিধিত্ব কৰে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত ক্ষুব্ধ হৈ অধিবক্তাসকলে অভিযুক্তসকলৰ হৈ ওকালতি নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাত আদালতে নিয়ম অনুসৰি অভিযুক্তৰ অধিবক্তা হিচাপে জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধিবক্তা নিয়োগৰ নিৰ্দেশ দিয়ে। ইপিনে, গোচৰটোৰ শুনানিৰ পাছত ৰাজ্য চৰকাৰৰ লোক অধিবক্তা প্ৰদীপ কোৰৰে সংবাদ মাধ্যমৰ আগত এইদৰে কয়।

বাইট

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২০ হাজাৰ ছগৰাকী মহিলাৰ মাজত আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। এই উপলক্ষে বৰপেটা পৌৰসভাৰ খেলপথাৰত আয়োজিত এখন সভাত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ইতিমধ্যে অসমৰ ৮ লাখ মহিলাই লাখপতি বাইদেউৰ সুবিধা লাভ কৰিছে। অসমৰ মহিলা সবলীকৰণৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই আঁচনিৰ ধন অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত ৩২ লাখ মহিলাৰ মাজত বিতৰণ কৰা হ'ব বুলি তেওঁ কয়। ইতিমধ্যে ১২ লাখ মহিলাৰ মাজত পুজিৰ ধন বিতৰণ কৰা হৈছে বুলিও তেওঁ ভাষণত উল্লেখ কৰে। মুঠ ৩৪ হাজাৰ কোটি টকা ব্যয়ৰ এই আঁচনিখনৰ জৰিয়তে

ৰাজ্যৰ মহিলাসকলক স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। চৰকাৰে এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত ১০ হাজাৰ টকা আগবঢ়াই আহিছে। প্ৰথম কিস্তিৰ ধন সফলতাৰে ব্যয় কৰা মহিলাসকলক চৰকাৰে পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকাকৈ প্ৰদান কৰিব বুলিও ড০ শৰ্মাই কয়।

বাইট

বৰপেটাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু মন্ত্ৰী ৰণজিৎ দাসৰ উপস্থিতিত মুখ্যমন্ত্ৰীগৰাকীয়ে আঁচনিৰ ধন বিতৰণ কৰাৰ পাছত সাংবাদিকৰ আগত কেইবাটাও বিষয় সন্দৰ্ভতো মন্তব্য কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আৰক্ষীয়ে আদালতত  দাখিল কৰা অভিযোগনামা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে তদন্তকাৰী গোটে আদালতত দাখিল কৰা অভিযোগনামাখনক একাংশ লোকে সমালোচনা কৰি তদন্ত প্ৰক্ৰিয়াটোত বিভ্ৰান্তিৰ সৃষ্টি কৰিব বিচাৰিছে। এই সকল লোকে  জুবিন গাৰ্গে ন্যায় পোৱাটো নিবিচাৰে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। আনহাতে, বৰপেটা জিলাতো অতি সোনকালে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰিছে।

০০০০০

১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত মৃত্যুবৰণ কৰা ভাৰতীয় সৈনিকসকলৰ স্মৃতিত আজি ৰাজ্যৰ বিভিন্ন স্থানত বিজয় দিৱস পালন কৰা হয়। অসম আৰক্ষীয়ে বীৰ ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জনাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰে। একেদৰে ঠায়ে ঠায়ে বীৰ সৈনিকসকলক স্মৰণ কৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে আজিৰ দিনটোতে পাকিস্তানী সেনাবাহিনীয়ে ভাৰতৰ ওচৰত আত্মসমৰ্পণ কৰিছিল আৰু পূব পাকিস্তান বাংলাদেশ নামেৰে স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃত হৈছিল।

বিজয় দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত মৃত্যুবৰণ কৰা সৈনিকসকলক শ্ৰদ্ধাঞ্জলি জনায়। লগতে পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ক সোঁৱৰণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে জন্মভূমিৰ প্ৰতি ভাৰতীয় সেনাৰ ভালপোৱা, উচৰ্গিকীকৃত মনোভাৱ আৰু সাহসে জাতিক সদায় গৌৰৱান্বিত কৰি আহিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে সেনা বাহিনীৰ বীৰত্বই পাকিস্তানৰ বিপক্ষে ভাৰতৰ জয়লাভত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল আৰু বাংলাদেশ নামৰ এখন স্বাধীন ৰাষ্ট্ৰ সৃষ্টি হৈছিল। সাহসী সৈনিকসকলৰ বলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁলোকৰ নিঃস্বাৰ্থ সেৱাই জাতিক সুৰক্ষিত কৰি ৰাখিছে।

০০০০০

নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে অভিযান চলাই বজালী আৰক্ষীয়ে কালি সন্ধিয়া বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সমৰ্থ হয়। বজালী জিলা আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞাই আজি এখন সংবাদ মেলত কয় যে বজালী আৰক্ষীয়ে নিৰ্ভৰযোগ্য সূত্ৰৰ ভিত্তিত কালি জিলাখনৰ ৰাজঘাট-কঁহৰা অঞ্চলৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই নিচাযুক্ত দ্ৰব্য সৰবৰাহকাৰী এজন লোকক আটক কৰাৰ লগতে সৰবৰাহকাৰীজনৰ পৰা ৭ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে ধৃত সৰবৰাহকাৰীজন বৰপেটা জিলাৰ সৰ্থেবাৰী থানাৰ অন্তৰ্গত ভেৰগাঁৱৰ ইছাক আলী। অভিযুক্ত ইছাক আলীক আজি আদালতত হাজিৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰা হয়। এই সৰবৰাহৰ সৈতে জড়িত থকা আন ব্যক্তিসকলক আটক কৰিবলৈ আৰক্ষীয়ে অনুসন্ধান চলাই থকাৰ কথাও সংবাদমেলখনত অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

মঙলদৈৰ অগ্ৰণী সামাজিক অনুষ্ঠান জীপচি গিল্ডৰ উদ্যোগত **জাৰকালিৰ অনুষ্ঠান** শীৰ্ষক কাৰ্যসূচীৰ অধীনত আজিৰে পৰা দুদিনীয়াকৈ এখন পুথি চিত্ৰ কৰ্মশালা আৰু ছবি প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। বিশিষ্ট চলচ্চিত্ৰ পৰিচালক আলতাফ মজিদৰ সোঁৱৰণত এই ছুটি ছবি প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত পুথি চিত্ৰশিল্পী সুজিত দাসৰ তত্বাৱধানত হোৱা এই কৰ্মশালাত বিশিষ্ট উদ্যোগপতি মুকুল চন্দ্ৰ ডেকাই উদ্বোধন কৰে।

০০০০০

কোকৰাঝাৰৰ গ্ৰীণ ফিল্ডত আজি বড়োসকলৰ পৰম্পৰাগত বাথৌ বা খেৰাই পূজা অনুষ্ঠিত হয়। বিশ্ব শান্তি, সমৃদ্ধি আৰু মানৱৰ কল্যাণৰ অৰ্থে এই পূজা-অৰ্চনা অনুষ্ঠিত হয়। বড়োভূমিৰ লগতে অসমৰ অন্যান্য অঞ্চল আৰু পশ্চিম বংগৰ পৰাও অহা যথেষ্ট সংখ্যক লোকে এই পূজাত অংশগ্ৰহণ কৰে। বি টি চিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰী, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়ো, বি টি চিৰ পৰিষদৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীৰ লগতে অন্যান্য বিষয়ববীয়া তথা প্ৰতিনিধিসকলেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি শিল্পী স্বাস্থ্য বীমা আঁচনিৰ এটা প'ৰ্টেল আনুষ্ঠানিকভাৱে মুকলি কৰে। এই প'ৰ্টেলটোৰ জৰিয়তে শিল্পীসকলে ৰাজ্য চৰকাৰৰ শিল্পী স্বাস্থ্য বীমা আঁচনিৰ সুবিধা লাভ কৰাৰ বাবে অনলাইন আবেদন কৰিব পাৰিব। আজিৰ পৰা অহা ৭ জানুৱাৰীলৈ এই প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব। শিল্পীসকলে এই আঁচনিৰ অধীনত ৩ লাখ টকাৰ পৰা ৬ লাখ টকা পৰ্যন্ত চিকিৎসা সাহায্য লাভ কৰিব।

০০০০০

সমাপ্ত